প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ

প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনাৰ বিশেষ আৰ্থিক পেকেজৰ দ্বিতীয় কিস্তি মুকলি

# পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে ৮,৪৮,৬৪২ গৰাকী হিতাধিকাৰীলৈ আৰ্থিক সাহায্য প্ৰদান

**গুৱাহাটী ২৯ জুনঃ** কৰ'না ভাইৰাছৰ সংক্ৰমণৰ প্ৰতিকূল পৰিস্থিতিত দুখীয়া জনসাধাৰণক আৰ্থিক সকাহ দিয়াৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনা (PMGKY)ৰ বিশেষ পেকেজৰ অধীনত দ্বিতীয় কিস্তিৰ পুঁজি মুকলি কৰা হৈছে। এই অনুসৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে ৮,৪৮,৬৪২গৰাকী হিতাধিকাৰীক ৫০০ টকাকৈ বিশেষ অৰ্থ সাহায্য পোনপটীয়াকৈ তেওঁলোকৰ বেংক একাউণ্টত প্ৰদান কৰা হয়।

উল্লেখযোগ্য যে এই সাহায্যৰ বাবে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৰূপায়ণ কৰি থকা ধ্বজাবাহী আঁচনি ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনি (NSAP)ৰ অন্তৰ্গত বৃদ্ধ, বিধৱা আৰু বিশেষভাৱে সক্ষম লোকৰ বাবে থকা পেন্সন আঁচনিৰ হিতাধিকাৰীসকলক অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰতিগৰাকী হিতাধিকাৰীক ১হাজাৰ টকাকৈ প্ৰদান কৰা এই সাহয্যৰ ধনৰ প্ৰথম কিস্তিৰ ৫০০ টকাকৈ ইতিমধ্যে যোৱা এপ্ৰিল মাহত হিতাধিকাৰীসকলৰ বেংক একাউণ্টত পোনপটীয়াকৈ প্ৰদান কৰা হৈছিল। এই সাহায্য লাভ কৰা হিতাধিকাৰীসকলৰ ভিতৰত ৭,০১,৫৮৬ গৰাকী বৃদ্ধ পেন্সনাৰ, বিধৱা পেন্সনাৰ ১,১১,৫৯৬ গৰাকী আৰু বিশেষ ভাৱে সক্ষম লোকৰ বাবে থকা পেন্সনৰ হিতাধিকাৰী আছে ৩৫,৪৯২ গৰাকী।

*এম আৰ ডি/২৯-০৬-২০২০*